অধিক কাল জীয়াই থাকি নির্মল আতৈয়ে দেহ ত্যাগ কৰিলে। সেই দিনাই সত্ৰলৈ আহি থকা ৰূপহী আৰু অনিৰামে বাটতে নিৰ্মলৰ মৃতদেহ দেখা পাই সকলো কথা জানিব পাৰি শোকত ম্ৰিয়মান হয় আৰু পাছত তেওঁলোকে নিজৰ জ্যেষ্ঠ পুত্ৰৰ হতুৱাই নিৰ্মলৰ আত্মাৰ সদ্গতিৰ বাবে শ্ৰাদ্ধ অনুষ্ঠান কৰে।

## উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ চৰিত্ৰৰ বিষয়ে ক'বলৈ গৈ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে— "বুৰঞ্জীক পটভূমি কৰি ৰচনা কৰা উপন্যাসত লিখকৰ স্বকীয় বা মৌলিক প্ৰতিভা বিস্তাৰিত কৰা বা নিজাকৈ চৰিত্ৰ সৃষ্টি কৰা কাম বেচ কঠিন। কিন্তু ঐতিহাসিক উপন্যাস যিহেতু ৰোমাণ্টিক তথা সৃষ্টিধৰ্মী উপন্যাস, দক্ষ ঔপন্যাসিকে সেয়ে বৰ্ণ বৈচিত্ৰ্য আৰু পৰিৱেশৰ বাবে ইতিহাসৰ উজ্জ্বল চৰিত্ৰবোৰ কাষে কাষে থৈ, বুৰঞ্জীত মাত্ৰ উল্লেখ থকা বা একেবাৰেই বুৰঞ্জী অখ্যাত চৰিত্ৰ কল্পনাৰে আঁকি চিৰন্তন সত্যৰ ৰমণীয় প্ৰকাশ দিয়ে। অমৰ প্ৰতিভাবান শিল্পী বৰদলৈৰ হাতেৰে ৰূপ দিয়া প্ৰতিটো চৰিত্ৰই পূৰ্ণাঙ্গ আৰু মনোৰম ৰূপত ধৰা দিয়ে।"

- *নিৰ্মল : নিৰ্মল* ভকত আত্মবিবৃতিমূলক উপন্যাস। নায়ক নিৰ্মলে নিজৰ জীৱনৰ ইতিবৃত্ত নিজে প্ৰকাশ কৰা কাৰণে উপন্যাসখনত স্বাভাৱিকতেই তেওঁৰেই প্ৰাধান্য ঘটিছে। নিৰ্মল সাহসী, কৰ্মপটু, গভীৰ প্ৰেমিক আৰু স্বদেশহিতৈষী যুৱক। শৈশৱৰ খেলৰ লগৰী ৰূপহীক গভীৰভাৱে ভালপাই পৰৱৰ্তী কালত জীৱন লগৰী কৰিছিল। মাক-বাপেকৰ প্ৰবল বাধায়ো তেওঁক ৰূপহীৰ পৰা আঁতৰাই ৰাখিব পৰা নাছিল। বিয়াৰ দুবছৰ পাছতেই দেশৰ শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ নিৰ্মল ঘৰৰ পৰা ওলাই গৈছিল। যুদ্ধত বন্দী হৈ চৈধ্য বছৰ কাল বিদেশত অতিবাহিত কৰিবলগীয়া হোৱাতো জন্মভূমি আৰু ৰূপহীক তিলমাত্ৰৰ বাবেও পাহৰা নাছিল। একমাত্ৰ ৰূপহীকে অন্তৰত স্থান দিয়া বাবেই মান ছোৱালী বা মানৰ লগত বন্দী হিচাপে যোৱা অসমীয়া ছোৱালী বিয়া কৰাই সেই ঠাইতে ঘৰ-সংসাৰ কৰিবলৈ বহুতে দিয়া উপদেশ নিৰ্মলে গ্ৰহণ কৰা নাছিল। চৈধ্য বছৰৰ মূৰত ঘৰলৈ উভতি আহি ৰূপহী আৰু অনিৰামৰ সংসাৰ প্ৰত্যক্ষ কৰি নিৰ্মল মূৰ্চ্ছা গ'ল যদিও ৰূপহীৰ প্ৰতি কোনো খং ৰাগ প্ৰদৰ্শন নকৰিলে। বৰং ৰূপহীৰ জীৱনলৈ দুনাই বিপৰ্যয় নানি তাইক সুখে সন্তোষে অনিৰামৰ লগত ঘৰ-সংসাৰ কৰিবলৈ এৰি দি নিজে ছদ্মবেশ ধাৰণ কৰিলে। এনে কাৰ্যই নিৰ্মলৰ প্ৰেমৰ গভীৰতা আৰু চৰিত্ৰৰ মহত্ব প্ৰকাশ কৰিছে। তাৰ পাছত সাংসাৰিক জীৱন পৰিত্যাগ কৰি নিৰ্মলে কৃষ্ণত শৰণ লৈ ভকত হ'ল আৰু সত্ৰত থাকিবলৈ ল'লে। কিন্তু সত্ৰত থকা কালতো তেওঁ দেশৰ মংগল আৰু সমাজৰ মঙ্গলৰ কাৰণে সদা চিন্তিত হৈ আছিল। তেওঁ এঠাইত নিজ মুখে কৈছে— "এই বৈষ্ণৱবৃন্দ, এই মোৰ

ঈশ্বৰ পুৰুষ, এই মোৰ যাদৱৰায়, এই মোৰ ব্ৰহ্মপুত্ৰ, এই মোৰ অসমত থকা সকলো মানুহ আনকি এই পৃথিৱীৰ মানুহ মাত্ৰেই আৰু মোৰ দেশৰ গছ-গছনি, তৃণ-তৃণ, পক্ষী-পতংগ এই সকলো মোৰ নিজা নহয়নে? মইনো আন কোন ঠাইত এই নদী, এই হাবি, এই ব্ৰহ্মপুত্ৰ, এই সত্ৰ, এই বৈষ্ণববৃন্দ পাম।" নিৰ্মলৰ উক্ত বক্তব্যৰ মাজেৰে চৰিত্ৰটিৰ গভীৰ স্বদেশপ্ৰীতি প্ৰকাশ পাইছে।

- *অনিৰাম :* উপন্যাসখনৰ অন্যতম পুৰুষ চৰিত্ৰ অনিৰামো একনিষ্ঠ প্ৰেমিক। সৰুৰে পৰা ভালপোৱা ৰূপহীৰ বিয়া হৈ যোৱাৰ পিছতো তাইৰ বিৰহতেই তেওঁ বিয়া বাৰু নকৰাকৈ আছিল। ইচ্ছা কৰাহেঁতেন তেখেঁ অইন এজনীক বিয়া কৰাই সংসাৰী হ'ব পাৰিলেহেঁতেন। কিন্তু ৰূপহীৰ প্ৰতি তেওঁৰ ভালপোৱা গভীৰ আছিল বাবেই তেওঁ বিয়া কৰোৱা নাছিল। নিৰ্মল-ৰূপহীৰ মিলনত তেওঁ মুঠেও বাধা দিয়া নাছিল; খং ক্ষোভো প্ৰকাশ কৰা নাই, অন্যায় অমংগলো চিন্তা কৰা নাই। বৰঞ্চ বিয়াৰ পাছতো তেওঁ সুবিধা পালেই ৰূপহীক সহায় কৰিছিল। বাৰ বছৰ কাল অতিবাহিত কৰাৰ পাছতো নিৰ্মলৰ সন্ধান নোলোৱাত অনিৰামে ৰূপহীক বিয়া কৰাই তাইৰ ভৱিষ্যৎ জীৱনটোক নিৰাপত্তা দিছে। এয়া এগৰাকী প্ৰেমিকৰ মহত্বৰ পৰিচয়। উপন্যাসখনত অনিৰামৰ ভূমিকা উপ নায়কৰ; কিন্তু চৰিত্ৰটো বহুক্ষেত্ৰত অস্পষ্ট আৰু অনুজ্জ্বল হৈ ৰ'ল।
- *ৰূপহী :* উপন্যাসখনৰ নায়িকা ৰূপহী। বৰদলৈৰ উপন্যাসৰাজিৰ নাৰী চৰিত্ৰবোৰৰ অন্যতম প্ৰধান বৈশিষ্ট্য সৰলতা আৰু সততা এই চৰিত্ৰটোৰো প্ৰধান বৈশিষ্ট্য। ৰূপহীয়ে জানিছিল সিহঁত দুখীয়া মানুহ আৰু নিৰ্মলহঁত ধনী। সেয়ে তাই নিৰ্মলক ভাল পায় যদিও কান্দি কাটি মনক প্ৰবোধ দিছিল, "চকুৰ মণি নিৰ্মলে যদি আন এজনী বিয়া কৰাই সুখী হয়, তেন্তে তাক সুখী হোৱা দেখিয়েই সুখী হ'ম।" নিৰ্মলে তাইৰ ওচৰত বিয়াৰ প্ৰস্তাৱ দাঙি ধৰাত তাই সেই প্ৰস্তাৱ গ্ৰহণ কৰিলে অকপট সৰলতাৰে,— "নিৰ্মল! আজি অতদিনে মই আন কেৱে নজনাকৈ যিটি ভাব হৃদয়ত লৈ আছিলো, আজি তই সেই ভাব উলিয়াই ললি।" অসমীয়া সমাজৰ আচাৰ নীতিৰ প্ৰতি তাই সজাগ। সেয়ে তাই নিৰ্মলক ক'ব পাৰিছে,— "পিতৃ মাতৃ আমাৰ পৰম গুৰু, সেইসকলৰ বাক্যে আমাৰ চলা উচিত নহয় জানো?" ঘৰৰ বাধা নিষেধৰ বাবে পোনে পোনে বিয়া কৰাব নোৱাৰি নিৰ্মলে যেতিয়া তাইক পলুৱাই নিবলৈ স্থিৰ কৰিলে, তেতিয়া তাই কৈছে— "আই বোপাইক এৰি পলাই যোৱাটো বেয়া কথা।"— এইখিনিতে তাইৰ নাৰী চৰিত্ৰৰ বৈশিষ্ট্য ফুটি ওলাইছে। মানৰ হাতত বন্দী হৈ নিৰ্মল নিৰুদ্দেশ হোৱাৰ পাছত ৰূপহীয়ে অশেষ কষ্ট স্বীকাৰ কৰি বাৰ বছৰ কাল নিৰ্মললৈ অপেক্ষা কৰিছে। বাৰ বছৰৰ মূৰতো গাঁওবাসীৰ উপদেশ আৰু বুজনিতহে সৰু কালৰ লগৰীয়া অনিৰামৰ সৈতে তাই বিয়াত সোমাইছে। ইচ্ছা কৰা হ'লে নিৰ্মল সন্ধানহীন হোৱাৰ দিনচেৰেক পিছতেই তাই পুনৰ স্বামী বৰণ

পৃষ্ঠা ০৪